Total No. of Printed Pages—15

**24 T—HIST**

# 2014

## HISTORY

*Full Marks* : 100

*Pass Marks* : 30

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

1. Answer the following questions : 1×12=12

তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখা :

(a) Who was the first Director-General of the Archaeological Survey of India?

ভাৰতৰ পুৰাতত্ত্ব জৰীপ বিভাগৰ প্ৰথমজন সঞ্চালকপ্ৰধান কোন আছিল ?

(b) What kinds of grinding instruments were used to grind the grain in Harappan Civilization?

হৰপ্পা সভ্যতাত শস্য গুৰি কৰিবলৈ ব্যৱহাৰ কৰা সঁজুলিবিধৰ নাম কি আছিল ?

(c) What is hagiography?

হগিওগ্ৰাফী কি ?

(d) Who was Shankardeva?

শঙ্কৰদেৱ কোন ?

(e) What was the name of Alberuni's book written in Arabic language?

আৰবী ভাষাত লিখা আলবেৰুণীৰ কিতাপখনৰ নাম কি ?

(f) Who led a new religious movement in Karnataka?

কৰ্ণাটকত নতুন ধৰ্ম আন্দোলনৰ নেতৃত্ব কোনে দিছিল ?

(g) Who was the most famous ruler of Vijayanagar?

বিজয়নগৰৰ সৰ্ববিখ্যাত শাসকজন কোন আছিল ?

(h) Which was the language of the Royal Court of the Mughals?

মোগলসকলৰ ৰাজসভাত কি ভাষা ব্যৱহৃত হৈছিল ?





(i) Where did the Revolt of 1857 first breakout?

1857 চনৰ বিদ্ৰোহ প্ৰথম ক'ত আৰম্ভ হৈছিল ?

(j) Who were the Jotedars?

যোতদাৰসকল কোন ?

(k) What was the name of present Bangladesh during the time of Partition of India?

ভাৰত বিভাজনৰ সময়ত আজিৰ বাংলাদেশৰ নাম কি আছিল ?

(l) Who was the first President of Independent India?

স্বাধীন ভাৰতৰ প্ৰথম ৰাষ্ট্ৰপতি কোন আছিল ?

2. Answer in brief the following questions : 2×12=24

তলৰ প্ৰশ্নসমূহৰ চমু উত্তৰ লিখা :

(a) Write any two features of Harappan script.

হৰপ্পীয় লিপিসমূহৰ যি কোনো দুটা বৈশিষ্ট্য লিখা।

(b) What is Gotra? What are the two important rules about Gotra?

গোত্ৰ কি ? গোত্ৰ ব্যৱস্থাৰ উল্লেখযোগ্য বিধান দুটা কি কি ?

(c) Who was Azan Pir? Where is his Dargah situated?

আজান পীৰ কোন আছিল ? তেওঁৰ দৰগাহ্ ক'ত আছে ?

(d) When was the Assam Student Union established and who presided over its first session?

অসম ছাত্ৰ সন্মিলন কেতিয়া গঠন হৈছিল আৰু ইয়াৰ প্ৰথমখন অধিবেশনত কোনে সভাপতিত্ব কৰিছিল ?

(e) Who were the Alvars and Nayanars?

আলৱাৰ আৰু নায়নাৰসকল কোন আছিল?

(f) Why was Khwaja Moinuddin's Dargah very popular? Give two reasons.

খাজা মইনুদ্দিনৰ দৰগাহ জনপ্ৰিয় হোৱাৰ দুটা কাৰণ লিখা।

(g) Name the two English translators of *Ain-i Akbari*. When did they complete this translation work?

'আইন-ই-আকবৰী' পুথিখন অনুবাদ কৰা ইংৰাজ অনুবাদক দুজনৰ নাম লিখা। তেওঁলোকে অনুবাদৰ কাম কেতিয়া সম্পূৰ্ণ কৰিছিল?

(h) Who was Gulbadan Begum? Which book did she write?

গুলবদন বেগম কোন আছিল? তেওঁ লিখা কিতাপখন কি আছিল?

(i) How were the village Jotedars often found more effective than the Zamindars? Give two reasons.

জমিদাৰসকলতকৈ প্ৰায়ে গাঁৱলীয়া যোতদাৰসকল বেছি প্ৰভাৱশালী। দুটা কাৰণ উল্লেখ কৰা।

(j) Did the religious beliefs influence the rebels of 1857? Give two examples.

1857 চনৰ বিদ্ৰোহত ধৰ্মীয় বিশ্বাসে বিদ্ৰোহীসকলক প্ৰভাৱান্বিত কৰিছিলনে? দুটা উদাহৰণ লিখা।

(k) Who was Buchanan? How valuable is Buchanan's account in Indian history?

বুকানন কোন আছিল? ভাৰত বুৰঞ্জীত তেওঁৰ ভ্ৰমণ টোকা কিমান মূল্যবান?

(l) Write two reasons that made the Dandi Yatra a notable event.

দাণ্ডি যাত্ৰা তাৎপৰ্যপূৰ্ণ বুলি বিবেচিত হোৱাৰ দুটা কাৰণ লিখা।





3. Answer the following questions : 4×10=40

তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা :

(a) How did the Harappan people procure raw materials for craft production?

হৰপ্পাৰ লোকসকলে হস্তনিৰ্মিত সামগ্ৰী প্ৰস্তুত কৰিবলৈ কেঁচা মাল কিদৰে সংগ্ৰহ কৰিছিল?

(b) Explain how and why Stupas were built.

স্তূপসমূহ কিয় আৰু কেনেদৰে নিৰ্মাণ কৰা হৈছিল, বৰ্ণনা কৰা।

(c) Write a brief note on the Quit India Movement in Assam.

অসমত হোৱা ভাৰত ত্যাগ আন্দোলনৰ বিষয়ে চমু টোকা লিখা।

(d) What was Bernier's view on the Sati system in India?

সতী প্ৰথাৰ বিষয়ে বাৰ্ণিয়াৰে কি অভিমত দাঙি ধৰিছিল?

(e) What is Khanqah? Describe in brief about life in the Chisti Khanqah.

খানকাহ কি? চিস্তি খানকাহত কেনেদৰে জীৱন কটোৱা হয়, চমুকৈ বৰ্ণনা কৰা।

(f) Examine the significance of the rituals associated with the Mahanavami Dibba.

মহানৱমী দিব্বাৰ সৈতে জড়িত ধৰ্মীয় অনুষ্ঠানসমূহৰ তাৎপৰ্য মূল্যাঙ্কন কৰা।

(g) Who was Akbar? Mention any three of his achievements.

আকবৰ কোন আছিল? তেওঁৰ যি কোনো তিনিটা কাৰ্যাৱলীৰ বিষয়ে লিখা।

*(h)* Examine the significance of the Revolt of 1857.

1857 চনৰ বিদ্ৰোহৰ বৈশিষ্ট্য নিৰূপণ কৰা।

*(i)* Why was salt accepted as a symbol of protest in the Civil Disobedience Movement?

আইন অমান্য আন্দোলনত লোণক কিয় প্ৰতিবাদৰ প্ৰতীক হিচাবে গ্ৰহণ কৰা হৈছিল ?

*(j)* What were the main terms of the Gandhi-Irwin Pact?

গান্ধী-আৰউইন চুক্তিৰ মূল চৰ্তকেইটা কি কি আছিল ?

Read the following passages carefully and answer the questions accordingly :

তলত দিয়া পাঠৰ অংশবোৰ ভালদৰে পঢ়ি চোৱা আৰু সেইমতে প্ৰশ্নবোৰৰ উত্তৰ লিখা :

**4.** *(a)* Rules for monks and nuns

These are some of the rules laid down in the *Vinaya Pitaka*:

When a new felt (blanket/rug) has been made by a *bhikkhu*, it is to be kept for (at least) six years. If after less than six years he should have another new felt (blanket/rug) made, regardless of whether or not he has disposed of the first, then—unless he has been authorised by the *bhikkhus*—it is to be forfeited and confessed.

In case a *bhikkhu* arriving at a family residence is presented with cakes or cooked grain-meal, he may accept two or three bowlfuls, if he so desires. If he should accept more than that, it is to be confessed. Having accepted the two or three bowlfuls and having taken them from there, he is to share them among the *bhikkhus*. This is proper course here.





Should any *bhikkhu,* having set out bedding in a lodging belonging to the *sangha*—or having had it set out—and then on departing neither put it away nor have it put away, or should he go without taking leave, it is to be confessed.

*Questions :*

*(i)* How long a *bhikkhu* should at least keep his self-made blanket? 2

*(ii)* What *bhikkhu* supposed to do if he makes a blanket before the time fixed for it? 2

*(iii)* What are the rules that a *bhikkhu* is supposed to observe before accepting meals from a host? 2

ভিক্ষু আৰু ভিক্ষুণীসকলৰ বাবে নিয়মাৱলী

বিনয় পিতক যোগে পৰিৱেশিত নিয়মাৱলীৰ কেইটিমান তলত উল্লেখ কৰা হৈছে :

যেতিয়া কোনো এজন ভিক্ষুৱে উল আৰু জন্তুৰ নোম মিশ্ৰিত কৰি এখন নতুন কম্বল বা ৰাগ প্ৰস্তুত কৰে, তেওঁ সেইখন ছবছৰৰ বাবে নিজে ল'ব পাৰে। ছবছৰ নহওঁতেই এইখন দান কৰিছে নে নাই, সেইটো (সংঘৰ কৰ্তৃপক্ষক) নজনোৱাকৈ আৰু আগতীয়া অনুমতি নোলোৱাকৈ তেওঁ আৰু এখন ৰাগ নতুনকৈ প্ৰস্তুত কৰে, তেন্তে তাৰ বাবে তেওঁৰ পৰা স্বীকাৰোক্তি লৈ সেইখন বাজেয়াপ্ত কৰা হ'ব।

যদি এজন ভিক্ষুৱে কোনো গৃহস্থৰ ঘৰলৈ যাওঁতে তেওঁক পিঠা-পনা বা চাউল-ঘেঁহু আদি বা দানাদাৰ শস্যৰে বন্ধা খাদ্যৰে গৃহস্থজনে আপ্যায়িত কৰিবলৈ বিচাৰে, তেন্তে তেওঁ দুই বা তিনি বাটি এনে খাদ্য গ্ৰহণত বাধা নাই। কিন্তু তাতকৈ অধিক পৰিমাণৰ খালে সেইটো সৈ কাঢ়িব লাগিব। এনে দুই-তিনি বাটি খাদ্য যদি তেওঁ গৃহস্থৰ ঘৰতে নাখাই মঠতে লৈ আহে, তেন্তে সেইখিনি আন ভিক্ষুকৰ সৈতে ভগাই খাব লাগিব। এইটোৱেই সংঘৰ উচিত আৰু স্বাভাবিক নিয়ম।

যদি সংঘৰ কোনো নিবাসত বিছনা পাৰি সেই বিছনাখন তেনেকৈয়ে থৈ দিয়ে—আনকি যাবৰ সময়তো সেইখন চপাই নথয় বা ওভতাই দি নাহে, নাইবা ছুটি নোলোৱাকৈ বা নোকোৱাকৈ তাৰ পৰা গুচি যায় তেন্তে তেওঁ সেইটো সৈ কাঢ়িব লাগিব।

*প্ৰশ্নসমূহ :*

*(i)* নিজে প্ৰস্তুত কৰা কম্বল বা ৰাগখন কমেও কিমান দিনলৈ ভিক্ষু এজনে নিজে ব্যৱহাৰ কৰিব পাৰে ? 2

(ii) নিৰ্ধাৰিত সময়ৰ আগতে ভিক্ষু এজনে নতুন এখন কম্বল প্ৰস্তুত কৰিলে কি কৰিব লাগে? 2

(iii) ভিক্ষু এজনে কোনো গৃহস্থৰ ঘৰলৈ গ'লে খাদ্য গ্ৰহণ কৰাৰ ক্ষেত্ৰত কি কি নিয়মাৱলী পালন কৰিব লাগে? 2

*Or/অথবা*

<u>How could men and women acquire wealth?</u>

For men, the *Manusmriti* declares, there are seven means of acquiring wealth :

Inheritance, finding, purchase, conquest, investment, work, and acceptance of gifts from good people.

For women, there are six means of acquiring wealth : what was given in front of the fire (in marriage) or the bridal procession, or as a token of affection, and what she got from her brother, mother or father. She could also acquire wealth through any subsequent gift and whatever her 'affectionate' husband might give her.

*Questions* :

(i) According to *Manusmriti*, by which means could the men acquire wealth? 2

(ii) What were the means for the women to acquire wealth? 4

<u>পুৰুষ আৰু মহিলাই কিদৰে সম্পদ আহৰণ কৰিব পাৰে?</u>

মনুস্মৃতিয়ে পুৰুষসকলৰ উপাৰ্জনৰ ক্ষেত্ৰত মুঠতে যি সাতটা উপায় ঘোষণা কৰিছে, সেইকেইটি হ'ল :

উত্তৰাধিকাৰ বিচাৰি তথা অনুসন্ধান কৰি উলিওৱা, ক্ৰয়, বিজয়, কোনো কামত ধন খটোৱা, কৰ্ম আৰু সজ্জনৰ পৰা উপহাৰ গ্ৰহণ।

নাৰীৰ ক্ষেত্ৰত এনে মুঠ ছয়টা উপায়ৰ অন্যতম হ'ল : অগ্নিক সাক্ষী কৰি আগবঢ়োৱা সম্পদ (বিবাহৰ সময়ত), শোভাযাত্ৰা কৰি কইনা অনাৰ সময়ত নাইবা মৰম-চেনেহেৰে দিয়া বিভিন্ন উপহাৰ, পিতৃ-মাতৃ আৰু ভ্ৰাতৃৰ পৰা প্ৰাপ্ত ধন-সোণ





আদি। ইয়াৰ উপৰি (বিবাহৰ পাছত) প্ৰাপ্ত উপহাৰ আৰু 'মৰমিয়াল' স্বামীয়ে যি দিয়ে সকলোবোৰ নাৰীৰ সম্পদ বুলি ধৰা হয়।

*প্ৰশ্নসমূহ* :

(i) মনুস্মৃতি মতে পুৰুষসকলে কি উপায়েৰে সম্পত্তি আহৰণ কৰে? 2

(ii) স্ত্ৰীসকলে কি উপায়েৰে সম্পত্তি আহৰণ কৰে? 4

(b) <u>Nuts like a man's head</u>

The following is how Ibn Batuta described the coconut :

These trees are among the most peculiar trees in kind and most astonishing in habit. They look exactly like date-palms, without any difference between them except that the one produces nuts as its fruits and the other produces dates. The nut of a coconut tree resembles a man's head, for in it are what look like two eyes and a mouth, and the inside of it when it is green looks like the brain, and attached to it is a fibre which looks like hair. They make from this cords with which they sew up ships instead of (using) iron nails, and they (also) make from it cables for vessels.

*Questions* :

(i) What similarity and dissimilarity did Ibn Batuta find in the coconut and date-palm trees? 2

(ii) How has he compared the coconut to a man's head? 2

(iii) According to Ibn Batuta, for what purpose are the fibres used by the people? 2

<u>মানুহৰ মূৰ সদৃশ নাৰিকল</u>

ইবন বতুতাই দিয়া নাৰিকলৰ বৰ্ণনা আছিল নিম্নৰূপৰ :

এই গছবিলাক আছিল অতি বিশেষ প্ৰকৃতিৰ আৰু দেখিবলৈ আচৰিত ধৰণৰ। গছবিলাক দেখাত খেজুৰ গছৰ দৰে, পাৰ্থক্য আছে কেৱল সিহঁতে উৎপন্ন কৰা ফলৰ

ক্ষেত্ৰত, এবিধে উৎপন্ন কৰে নাৰিকল আৰু আনবিধে খেজুৰ। নাৰিকলটো দেখিবলৈ চাইলাখ মানুহৰ মূৰৰ দৰে, কিয়নো তাত আছে মানুহৰ চকু আৰু মুখৰ দৰে তিনিটাকৈ বিশেষ চিহ্ন, ডাবৰ অৱস্থাত থাকোঁতে তাৰ ভিতৰছোৱা মানুহৰ মগজুৰ দৰে আৰু তাৰ বাহিৰৰ খোলাটোৰ সৈতে সংলগ্ন হৈ থাকে কিছুমান আঁহ যিবিলাক দেখিবলৈ চুলিৰ দৰে। সেই আঁহৰ পৰাই মানুহবিলাকে জৰী তৈয়াৰ কৰে, তাৰ দ্বাৰা তেওঁলোকে লোৰ গজাল ব্যৱহাৰ কৰাৰ সলনি বেজীৰে জাহাজ সি লয়। তাৰ পৰা তেওঁলোকে আকৌ জাহাজ বন্ধা ফই বা শিকলিও তৈয়াৰ কৰে।

*প্ৰশ্নসমূহ :*

*(i)* ইবন বতুতাই নাৰিকল আৰু খেজুৰ গছৰ মাজত কি কি সাদৃশ্য আৰু বৈসাদৃশ্য বিচাৰি পাইছিল? 2

*(ii)* তেওঁ নাৰিকলক মানুহৰ মূৰৰ লগত কেনেদৰে ৰিজাইছিল? 2

*(iii)* তেওঁৰ মতে নাৰিকলৰ আঁহ মানুহবোৰে কি কি কামত ব্যৱহাৰ কৰিছিল? 2

*Or/ অথবা*

<u>How tanks were built?</u>

About a tank constructed by Krishnadeva Raya, Paes wrote :

The king made a tank...at the mouth of two hills so that all the water which comes from either one side or the other collects there; and besides this, water comes to it from more than three leagues (approximately 15 kilometres) by pipes which run along the lower parts of the range outside. This water is brought from a lake which itself overflows into a little river. The tank has three large pillars handsomely carved with figures; these connect above with certain pipes by which they get water when they have to irrigate their gardens and rice-fields. In order to make this tank the said king broke down a hill.... In the tank I saw so many people at work that there must have been fifteen or twenty thousand men, looking like ants ...

*Questions :*

*(i)* Name the king associated with the construction of the tank. 1

*(ii)* Where did the water reservoir was built? 1

*(iii)* How did the water get collected in the tank? 2

*(iv)* Why did so many people were engaged in the construction of the tank? 2

<u>পানীৰ পুখুৰী কেনেকৈ খনন কৰা হৈছিল?</u>

কৃষ্ণদেৱ ৰায়ে কেনেকৈ পানীৰ পুখুৰী সজাইছিল, সেই বিষয়ে পিয়াছে লিখিছিল :

ৰজাই এটি পুখুৰী খনন কৰাইছিল...দুখন পাহাৰৰ মুখত, যাতে ইটো ফালৰ পৰাই হওক বা সিটো ফালৰ পৰাই হওক, য'ৰে পৰাই নহওক কিয় সকলো পানী আহি যেন তাতেই পৰে; আৰু ইয়াৰ উপৰিও প্ৰায় তিনি লীগতকৈও অধিক (প্ৰায় ১৫ কিলোমিটাৰ) দূৰত্বৰ পৰা পাহাৰৰ সি পাৰৰ নামনি অঞ্চলৰ পৰা পাইপেৰে তালৈ পানী অনা হৈছিল। এই পানীখিনি এটি হ্ৰদৰ পৰা অনা হৈছিল আৰু এই হ্ৰদটি উপচি পৰি প্ৰায় এটি নদীত পৰিণত হৈছিল। পুখুৰীটোৰ সুন্দৰকৈ মূৰ্তি খোদিত কৰা তিনিটা খুঁটা আছিল; সেইবিলাকৰ ওপৰত পাইপৰ সংযোগ আছিল যাতে মানুহে প্ৰয়োজন হ'লে ধাননী পথাৰ আৰু বাগিছালৈ পানী বোৱাই নিব পাৰিছিল। এই পুখুৰীটো খনাবলৈ উক্ত ৰজাজনে এখন পাহাৰ ভাঙি পেলাইছিল...পুখুৰীটোত মই বহু মানুহক কাম কৰি থকা অৱস্থাত দেখিছিলোঁ, হয়তো সেই মানুহৰ সংখ্যা পোন্ধৰ হাজাৰৰ পৰা বিশ হাজাৰলৈ হ'ব, দেখিবলৈ একেবাৰে পৰুৱাৰ দৰে আছিল...।

*প্ৰশ্নসমূহ :*

*(i)* জলাশয় নিৰ্মাণ কৰা ৰজাজনৰ নাম কি আছিল? 1

*(ii)* জলাশয়টো ক'ত নিৰ্মাণ কৰা হৈছিল? 1

*(iii)* জলাশয়লৈ পানী ক'ৰ পৰা অনা হৈছিল? 2

*(iv)* জলাশয় নিৰ্মাণ কাৰ্যত ইমান মানুহ কিয় নিয়োগ কৰা হৈছিল? 2

*(c)* "The British element is gone, but they have left the mischief behind"

Sardar Vallabhbhai Patel said :

It is no use saying that we ask for separate electorates, because it is good for us. We have heard it long enough. We have heard it for years, and as a result of this agitation we are now a separate nation.... Can you show me one free country where there are separate electorates? If so, I shall be prepared to accept it. But in this unfortunate country if this separate electorate is going to be persisted in, even after the division of the country, woe betide the country; it is not worth living in. Therefore, I say, it is not for my good alone, it is for your own good that I say it, forget the past. One day, we may be united.... The British element is gone, but they have left the mischief behind. We do not want to perpetuate that mischief. (Hear, hear). When the British introduced this element they had not expected that they will have to go so soon. They wanted it for their easy administration. That is all right. But they have left the legacy behind. Are we to get out of it or not?

*CAD*, Vol. V

*Questions* :

*(i)* What did Sardar Vallabhbhai Patel say in opposition to the provision of separate electorates? 2

*(ii)* What were the evil effects of the separate electorates? 2

*(iii)* Whose mischief was the provision of separate electorates? Why had they done so? 2

"বৃটিছসকল গ'ল, কিন্তু ক্ষতিসাধন কৰি থৈ গ'ল"

চৰ্দাৰ বল্লভভাই পেটেলে কৈছিল :

আমি পৃথক নিৰ্বাচন বিচাৰিছো বুলি কোৱা কথাষাৰৰ কোনো অৰ্থ নাই, কাৰণ এইটো আমাৰ কাৰণে ভাল। আমি এইটো বহুদিন ধৰি শুনিছিলো। আমি এইটো বহুবছৰ ধৰি শুনিছিলো আৰু এই আন্দোলনৰ ফলস্বৰূপে আমি এতিয়া বেলেগ জাতি হ'লোঁ...। তোমালোকে মোক এনে এখন স্বাধীন দেশ দেখুৱাব পাৰিবানে য'ত পৃথক নিৰ্বাচন





আছে? যদি আছে, মই এইটো মানি ল'বলৈ সাজু আছো। কিন্তু এইখন দুৰ্ভগীয়া দেশত এই পৃথক নিৰ্বাচন যদি তিষ্ঠি থাকিবই লগা হয়, আনকি দেশখন বিভক্ত হোৱাৰ পিছতো দেশখনত দুৰ্ভোগ চলিয়ে থাকিব আৰু ইয়াত বাস কৰাৰ বাবে অনুপযোগী হ'ব। সেইবাবে মই কওঁ, অকল মোৰ ভালৰ বাবে নহয়, এইটো তোমালোকৰ নিজৰ কাৰণেও ভাল। মই কওঁ অতীতক পাহৰি যোৱা। এদিন আমি একগোট হ'ব পাৰিম...। বৃটিছসকল গ'ল কিন্তু তেওঁলোকে আমাৰ ক্ষতিসাধন কৰি থৈ গ'ল। আমি সেই অপকাৰ চিৰকলিয়া কৰিব খোজা নাই। (শুনা, শুনা)। বৃটিছে আমাৰ মাজত এই বিভেদৰ সৃষ্টি কৰাৰ সময়ত তেওঁলোকে যে সোনকালেই যাব লাগিব এইটো ভবা নাছিল। তেওঁলোকে এই বিভেদ কামনা কৰিছিল তেওঁলোকৰ শাসন সহজ কৰিবৰ কাৰণে, সেইটো বাৰু ঠিক আছে, কিন্তু এইটোৰ দ্বাৰা তেওঁলোকৰ উত্তৰাধিকাৰ ৰাখি থৈ গ'ল। আমি ইয়াৰ কবলৰ পৰা মুক্ত হ'ব বিচাৰো নে নিবিচাৰো?

*CAD*, Vol. V

*প্ৰশ্নসমূহ* :

*(i)* পৃথক নিৰ্বাচনৰ বিৰুদ্ধে চৰ্দাৰ বল্লভভাই পেটেলে কি কৈছিল? 2

*(ii)* পৃথক নিৰ্বাচনৰ বেয়া ফলাফলবোৰ কি কি? 2

*(iii)* পৃথক নিৰ্বাচন ব্যৱস্থা কাৰ অপকৰ্ম? কি স্বাৰ্থ পূৰণৰ বাবে তেওঁলোকে এই ব্যৱস্থা গ্ৰহণ কৰিছিল? 2

*Or/ অথবা*

What should the qualities of a National language be?

A few months before his death Mahatma Gandhi reiterated his views on the language question :

This Hindustani should be neither Sanskritised Hindi nor Persianised Urdu but a happy combination of both. It should also freely admit words wherever necessary from the different regional languages and also assimilate words from foreign languages provided that they can mix well and easily with our national language. Thus our national

language must develop into a rich and powerful instrument capable of expressing the whole gamut of human thought and feelings. To confine oneself to Hindi or Urdu would be a crime against intelligence and the spirit of patriotism. *Harijansevak*, 12 October, 1947

*Questions* :

*(i)* Why did Gandhiji prefer Hindustani as the National Language of India? 4

*(ii)* What did Mahatma Gandhi consider against patriotism and intelligence? 2

<u>এটা জাতীয় ভাষাৰ কি কি গুণ থকা উচিত?</u>

মৃত্যুৰ কেইমাহমান আগতে মহাত্মা গান্ধীয়ে ভাষা প্ৰশ্নটোৰ ওপৰত নিজৰ মত পুনৰুক্তি কৰিছিল :

হিন্দুস্থানী ভাষাটো সংস্কৃত মিহলি হিন্দী বা পাৰ্চী মিহলি উৰ্দু হোৱা উচিত নহয়; কিন্তু দুয়োটাৰে এক সুখৰ মিশ্ৰণ হোৱা উচিত। বেলেগ বেলেগ আঞ্চলিক ভাষাৰ শব্দ প্ৰয়োজন অনুসৰি ইয়াত অন্তৰ্ভুক্ত কৰাৰো অনুমতি থকা উচিত, আনকি বিদেশী ভাষাৰ শব্দও, যদি ভাল ধৰণে খাপ খায়, আমাৰ জাতীয় ভাষাৰ লগত সংলগ্ন কৰা উচিত। এইদৰে আমাৰ জাতীয় ভাষাক মানৱচিন্তা আৰু অনুভূতি প্ৰকাশ কৰিব পৰা সবল আৰু শক্তিশালী আহিলা হোৱাকৈ উন্নত কৰিবই লাগিব। এজনক হিন্দী বা উৰ্দুত আবদ্ধ কৰি ৰখাটো জ্ঞানৰ আৰু দেশপ্ৰেমৰ উদ্যমৰ বিৰুদ্ধে কৰা এটা অপৰাধ।

*হৰিজনসেৱক*, 12 অক্টোবৰ, 1947

*প্ৰশ্নসমূহ* :

*(i)* গান্ধীজীয়ে হিন্দুস্থানী ভাষাক জাতীয় ভাষা হিচাবে কিয় পচন্দ কৰিছিল? 4

*(ii)* মহাত্মা গান্ধীয়ে কোনটো বিষয়ক জ্ঞান আৰু দেশপ্ৰেমৰ বিৰুদ্ধে কৰা অপৰাধ বুলি গণ্য কৰিছিল? 2





**5.** Draw an outline map of India and mark five centres of Revolt of 1857 : 6

Jhansi; Lucknow; Azamgarh; Agra; Delhi.

ভাৰতবৰ্ষৰ এখন মানচিত্ৰ অংকন কৰা আৰু তাত 1857 চনৰ বিপ্লৱ সংঘটিত হোৱা পাঁচটা কেন্দ্ৰ দেখুওৱা :

ঝান্সি; লক্ষ্ণৌ; আজমগড়; আগ্ৰা; দিল্লী।

*Or/অথবা*

Write a short note on the Non-Cooperation Movement.

অসহযোগ আন্দোলনৰ ওপৰত এটি চমু টোকা লিখা।

*Or/অথবা*

What were the causes of Partition of India?

ভাৰত বিভাজনৰ কাৰণসমূহ কি আছিল?

***